## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ চতুৰ্থ      বিষয় ঃ ভাষা-১ (অসমীয়া)    চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

➯ বিপৰীত অৰ্থ প্ৰকাশক শব্দ লিখিব পাৰিব।

➯ স্ত্ৰীলিংগ আৰু পুংলিংগবাচক শব্দ চিনি পাব আৰু প্ৰয়োগ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) জন্মদিনৰ আয়োজন | - | পাঠ নং ১৩ |
| খ) গছে যদি খোজ কাঢ়ে | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰী প্ৰস্তুত কৰোঁতে “শিক্ষা অধিকাৰ আইন - ২০০৯” অনুসৰি জাতি ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

গুণোৎসৱৰ মূল্যায়নৰ তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান আহৰণ আৰু প্ৰয়োগ কৰা ক্ষেত্ৰত প্ৰাথমিক বিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। চতুৰ্থ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও বিপৰীত অৰ্থ প্ৰকাশক শব্দ, লিংগবাচক শব্দ চিনি নাপায়। শিকনৰ এই ধূসৰক্ষেত্ৰসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীক এই দিশৰ বিকাশত বিশেষভাৱে যত্ন লোৱা বাঞ্চনীয়। ইয়াৰ বাবে শিক্ষকসকলৰ যথেষ্ট অনুশীলনৰ প্ৰয়োজন হ’ব। পাঠ্যপুথিত উল্লেখ থকা অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে কিছুমান নিজা প্ৰচেষ্টাৰে শিকন পৰিকল্পনা হাতত ল’ব পাৰোঁ। ছাত্ৰ-ছাত্ৰীসকলে শুদ্ধভাৱে ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতাসমূহ আয়ত্ত কৰি ব্যৱহাৰ কৰিব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিকন পৰিকল্পনা, ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰীখিনি প্ৰস্তুত কৰি তোলা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

➯ বাক্যত ব্যৱহাৰ হোৱা বিপৰীত অৰ্থ বুজোৱা শব্দ জানিব।

➯ ছাত্ৰ-ছাত্ৰীসকলে লিংগ পৰিৱৰ্তনৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

➯ ব্যাকৰণে বৰ্ণাশুদ্ধি দূৰীকৰণত সহায় কৰিব।

➯ ব্যাকৰণৰ জৰিয়তে ভাষা শুদ্ধকৈ শিকিব পাৰিব।

➯ ব্যাকৰণৰ জৰিয়তে ভাষা শিকনৰ চাৰিওটা কৌশলত দক্ষতা অৰ্জন কৰিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা আমি শিক্ষক হিচাপে কি শিকিব পাৰিম ?**

➯ এই সমল সামগ্ৰীটোৰ জৰিয়তে ব্যাৱহাৰিক ব্যাকৰণ শ্ৰেণীকোঠাত সফলভাৱে শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয় তাক জানিব পাৰিম।

➯ ক্ৰিয়া-কলাপ আৰু অনুশীলনেৰে বিপৰীত অৰ্থ বুজোৱা শব্দৰ বিষয়ে, লিংগ পৰিৱৰ্তন কৰা কৌশল আদিৰ বিষয়ে অৱগত কৰাবলৈ আৰু সেইবোৰ বাক্যত সঠিকভাৱে প্ৰয়োগ কৰিবলৈ শিকাব পাৰিম।

➯ এই সমল-সামগ্ৰীৰ সহায়ত শিক্ষণ-শিকন কাৰ্যৰ স্ব-মূল্যায়ন আৰু তুলনামূলক অধ্যয়ন কৰিব পাৰিম।

**বিকাশৰ ব্যৱস্থাৱলী ঃ**

- ➩ শিক্ষকসকলে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বিপৰীত অৰ্থ প্ৰকাশক শব্দৰ ব্যৱহাৰ কৰোঁতে কৰা ভুলৰ শুধৰণিৰ ওপৰত গুৰুত্ব দিব।
- ➩ লিংগ পৰিৱৰ্তনৰ ধাৰণা জন্মাবলৈ কেনেধৰণৰ দৃশ্য-শ্ৰব্য সঁজুলিৰ সহায় লৈ শিক্ষণ-শিকন প্ৰক্ৰিয়া পৰিচালনা কৰিব পাৰি তাৰ ওপৰত গুৰুত্ব দিব।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) বিপৰীত অৰ্থ প্ৰকাশক শব্দ লিখিব পাৰিব। | - পাঠ্যপুথি<br>-অংকুৰণ<br>-বগা চাৰ্ট পেপাৰ<br>-ব্লেকবোৰ্ড, চক পেঞ্চিল ইত্যাদি। | দলীয় ক্ৰিয়া-কলাপ | তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দ লিখা —<br>পৰিপাটি, সুন্দৰ, জন্ম, আনন্দ, স্বাধীন, উদয়, সঁচা, আচল, শুভ। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) স্ত্ৰী-লিংগ আৰু পুংলিঙ্গ বাচক শব্দ | - পাঠ্যপুথি,<br>- ব্লেকবোৰ্ড<br>- চাৰ্ট<br>ইত্যাদি। | দলীয় ক্ৰিয়া-কলাপ | তলত উল্লেখ কৰা 'ক' অংশৰ লগত 'খ' অংশৰ বিপৰীত লিংগ বুজোৱা শব্দ মিলোৱা —<br>'ক' — 'খ'<br>তাঁৰে — পেহী<br>মামা — ভিনিহি<br>বাই — খুড়ী<br>খুড়া — আমৈ<br>পেহা — মামী<br>তলত দিয়া শব্দবোৰৰ লিঙ্গ পৰিবৰ্তন কৰা।<br>বন্ধু, শিক্ষক, ভাই, দেউতা, অভিনেতা। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

নিজৰা বৰুৱা চতুৰ্থ শ্ৰেণীৰ অসমীয়া ভাষা পঢ়োৱা এগৰাকী শিক্ষয়িত্ৰী। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক বিপৰীত অৰ্থ প্ৰকাশক শব্দ ব্যৱহাৰ কৰিবলৈ তলত দিয়া ধৰণৰ কিছুমান শিক্ষণ-শিকন সঁজুলি তৈয়াৰ কৰি লৈছিল।

- ➩ বিপৰীত অৰ্থ প্ৰকাশক শব্দৰ তালিকা।
- ➩ লিংগ পৰিৱৰ্তনৰ শব্দৰ তালিকা।

নিজৰা বৰুৱাই শ্ৰেণীকোঠাত ভাষাৰ জ্ঞান দিবলৈ অৰ্থাৎ ব্যাৱহাৰিক ব্যাকৰণ শিকাবলৈ গৈ কি কৰিলে তেওঁৰ পৰাই শুনোঁ আহক —

"বিপৰীত অৰ্থ বুজোৱা শব্দৰ জ্ঞান দিয়াৰ আগতে তেওঁলোকে ক'ব পৰা বা জনা শব্দৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দ কেইটামান ক'বলৈ দিছিলোঁ। তেনে কৰাত দেখিবলৈ পাইছিলোঁ যে কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধভাৱে উত্তৰ দিব পাৰিছিল। ইয়াৰ পাছত মই উত্তৰ দিব পৰা ছাত্ৰ-ছাত্ৰীসকলক উত্তৰ দিব নোৱাৰাসকলৰ লগত সমানে দুভাগ কৰি দুটা দল কৰি দিছিলোঁ। জনা আৰু নজনা ছাত্ৰ-ছাত্ৰীসকলক সমানে দুটা দলত বিভক্ত কৰিলোঁ। এতিয়া দুয়োটা দলকে আগতে প্ৰস্তুত কৰি থোৱা শব্দৰ তালিকাখন দিলোঁ।

| তালিকা - ১ | | | | |
|---|---|---|---|---|
| অলপ | পৰিপাটি | বেয়া | আচল | সৰু |
| গাঁও | সুবিধা | দুৰ্বল | পদ্য | |

তালিকাখন দিয়াৰ পাছত দুয়োটা দলকে দলীয়ভাৱে আলোচনা কৰি তালিকাত থকা শব্দবোৰৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দ লিখিবলৈ দিলোঁ। এই দলীয় কাৰ্যটো কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক দহ মিনিট সময় নিৰ্ধাৰিত কৰি দিয়া হ'ল। নিৰ্ধাৰিত সময়ৰ ভিতৰত যিটো দলে বেছি বিপৰীত অৰ্থপ্ৰকাশক শব্দ লিখিব পাৰিলে সেই দলটোক পুৰস্কৃত কৰিলোঁ। এইদৰে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ ভাব জগাই তোলা আৰু শ্ৰেণী কোঠাৰ পৰিৱেশ মনোগ্ৰাহী কৰাৰ চেষ্টা কৰিছিলোঁ।

পিছত মই পুনৰ বোৰ্ডত পাঠ বহিৰ্ভূত বিপৰীত অৰ্থ বুজোৱা শব্দ উদাহৰণসহ লিখি দিছিলোঁ। প্ৰতিটো দলৰ দলপতিৰ সহযোগত সমস্বৰে পঠন কৰিবলৈ দিছিলোঁ। এই পঠন কাৰ্যৰ লগত শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰগৰাকীকো জড়িত হ'বলৈ উৎসাহিত কৰিলোঁ।

ইয়াৰ পাছত "জন্মদিনৰ আয়োজন" পাঠটিত থকা বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ বাছি উলিয়াই লিখিবলৈ দিছিলোঁ। প্ৰতিটো দলতে কেইজনমানে নিজাববীয়াকৈ লিখিলে আৰু বাকীকেইজনক দলৰ অন্য সদস্যসকলে সহায় কৰি দিলে। এই কাৰ্যত প্ৰতিটো দলৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে, তাৰ প্ৰতি মই লক্ষ্য ৰাখিছিলোঁ।

শ্ৰেণীকোঠাত লিংগ পৰিৱৰ্তনৰ ধাৰণা দিবলৈ দৃশ্য-শ্ৰাব্য সঁজুলি কিছুমানৰ সহায় লৈছিলোঁ।

**চিন্তা কৰি চাওঁ আহক ঃ**

শ্ৰেণীকোঠাত নিজৰা বৰুৱাই দল গঠনৰ দ্বাৰা শিকন কাৰ্যকলাপত ছাত্ৰ-ছাত্ৰীক নিয়োগ কৰাত কি কি সুবিধা হৈছিল?

- ➩ তেওঁ কিদৰে ছাত্ৰ-ছাত্ৰীৰ সৈতে শিকন কাৰ্যৰ অংশীদাৰী হৈছিল?
- ➩ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ আছিল?
- ➩ সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল নে?
- ➩ ইয়াৰ বাহিৰে আমি আন কিবা ব্যৱস্থা কৰিব পাৰোঁ নে?

**ক্ৰিয়া-কলাপ ঃ**

**প্ৰস্তুতি ঃ** শ্ৰেণীকোঠাত এই ক্ৰিয়া-কলাপটো কাৰ্যকৰী কৰাৰ বাবে তলত দিয়া ধৰণৰ শিকন সামগ্ৰীৰ প্ৰয়োজন হ'ব —

- ➩ পাঠ্যপুথি।
- ➩ বগা চাৰ্টপেপাৰ।
- ➩ ব্লেকবৰ্'ড (কলাফলক)।
- ➩ চকপেঞ্চিল।
- ➩ নিৰ্দেশক দণ্ড।

ছাত্ৰ-ছাত্ৰীসকলে কিদৰে বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দ বাছি উলিয়াব লাগে, কিদৰে লিংগ পৰিৱৰ্তন কৰিব লাগে, এই বিষয়ে বুজাবলৈ বিশেষ পৰিকল্পনা কৰি ল'ব।

প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক চাৰি/পাঁচজনীয়া দলত ভাগ কৰি ল'ব। তাৰ পাছত পাঠ ১৩, ১৪ ৰ পৰা কেইটামান শব্দ লিখি দিব। শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখি বুজাই দিব। একেদৰে লিংগ পৰিৱৰ্তনৰো কেইটামান উদাহৰণ লিখি দিব।

শিক্ষকে এনেদৰে বোৰ্ডত লিখি দিব —

বিপৰীত অৰ্থ প্ৰকাশক শব্দ —

| তালিকা - ২ | |
|---|---|
| **শব্দ** | **বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দ** |
| পৰিপাটি | অপৰিপাটি |
| সুন্দৰ | কুৎসিত |

বিপৰীত লিংগ বুজোৱা শব্দ—

| তালিকা - ৩ | |
|---|---|
| **পুংলিঙ্গ** | **স্ত্ৰী লিঙ্গ** |
| ভাই | ভনী |
| দেউতা | মা |

ইয়াৰ পাছত প্ৰতিটো দলকে বিপৰীত অৰ্থ প্ৰকাশক শব্দ আৰু বিপৰীত লিঙ্গ বুজোৱা শব্দ পাঠ্যপুথিৰ ১৩ নং আৰু ১৪ নং পাঠৰ পৰা বিচাৰি উলিয়াই প্ৰত্যেককে বহীত লিখিবলৈ দিব।

***বিঃদ্ৰঃ — শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি থকা বিষয়বোৰ স্পষ্ট হ'ব।

⇨ বিপৰীত অৰ্থ প্ৰকাশক শব্দৰ জ্ঞান তথা লিংগ পৰিৱৰ্তনৰ ধাৰণা স্পষ্ট হৈ পৰিব।

⇨ পাঠ্যক্ৰমত থকা বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ বাছি উলিয়াবলৈ সক্ষম হ'ব।

⇨ লিংগ পৰিৱৰ্তনৰ কৌশল আয়ত্ত কৰিব পাৰিব।

**দৃঢ়ীকৰণ ঃ** ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক —

**প্ৰশ্ন ঃ** তোমাৰ পাঠ্যপুথিৰ ১৩, ১৪ নং পাঠত থকা পুংলিংগ শব্দবোৰ স্ত্ৰীলিংগলৈ আৰু স্ত্ৰীলিংগ শব্দবোৰ পুংলিঙ্গলৈ ৰূপান্তৰিত কৰা।

**অনুশীলন ঃ**

⇨ তলত দিয়া শব্দবোৰৰ লিংগ পৰিৱৰ্তন কৰা —
কান্দুৰা, দৰা, তনয়, তাৰৈ, নায়ক, ককা।

⇨ তলত উল্লেখ কৰা 'ক' অংশৰ লগত 'খ' অংশৰ শব্দ মিলোৱা —

| **'ক'** | **'খ'** |
|---|---|
| মামা | মাতা |
| পিতা | পত্নী |
| পতি | পেহী |
| পেহা | মামী |

## প্ৰসংগ পুথি ঃ

⇨ পাঠ্যপুথি — অংকুৰণ (চতুৰ্থ ভাগ)

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ — ড° গোলোক চন্দ্ৰ গোস্বামী।

⇨ হেমকোষ, চন্দ্ৰকান্ত অভিধান।

⇨ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি — হলিৰাম দাস।

*****